Estd-1945
Date........
Dibrugarh

জাতিৰ সেৱাত উৎসৰ্গিত ৫৯ বছৰ

# দৈনিক অসম

গুৱাহাটী আৰু ডিব্ৰুগড়ৰপৰা প্ৰকাশিত
http://dainik.assamtribune.com

। ৫৯ বছৰ । ১৬৭ সংখ্যা, ৮ মাঘ, মঙলবাৰ, ১৯৪৫ শক । DAINIK ASAM : Assamese Daily । VOL. 59 NO. 167 । DIBRUGARH, TUESDAY, JANUARY 23, 2024 । পৃষ্ঠা ১৪ (Pages 14) । ৭.০০ টকা



ব্ৰুগড় জিলাত ১৯
কন্যা শিশু দিৱস-
ৱীত জিলা মহিলা
জিলা প্ৰশাসনৰ
নৰ মানকটা আদৰ্শ
ন' আৰু 'হস্তাক্ষৰ'
কন্যা শিশুৰ লগতে
ৰ কন্যা শিশুটিৰো
ালভাৱে 'হস্তাক্ষৰ'
য় শুভাৰম্ভ কৰে।
শিশুসকলৰ লগত
ক-দেউতাকসকলৰ
জ লয়। অনুষ্ঠানত
ক্ত ক্ৰমে সংঘমিত্ৰা
নদৰ) কৃতি চাচৰা,
াণ বিষয়া সুপ্ৰিয়া
ৰুৱা, মুখ্যসেৱিকা,
পাষণ অভিযানৰ
লগতে স্থানীয়

# কানৈ মহাবিদ্যালয়ত 'আলোকৰে যাত্ৰা' শীৰ্ষক অনুষ্ঠান

# বিশিষ্ট শিল্পীক সংগীত ৰত্ন আৰু সংগীতজ্যোতি বঁটা প্ৰদান

নিজা বাতৰি দিওঁতা

**ডিব্ৰুগড়, ২২ জানুৱাৰী ঃ** শ্ৰুতি শিল্পী সমাজ, ডিব্ৰুগড়ৰ উদ্যোগত আৰু এন ডি-২৪ নামৰ ছেটেলাইট চেনেলৰ যৌথ উদ্যোগত, ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ মহাবিদ্যালয়, ডিব্ৰুগড়ৰ অভীপ্সা কয়েৰ গোষ্ঠী, ডিব্ৰুগড় শিল্পী সমাজ, সুৰীয়া শিল্পী সমাজ, মঞ্চৰূপা, ডিব্ৰুগড় যুৱ শিল্পী সমাজ, মূৰ্চ্ছনা সংগীত বিদ্যালয়ৰ সহযোগত ৰূপকোঁৱৰ জ্যোতি প্ৰসাদ আগৰৱালাৰ ৭৩ সংখ্যক পুণ্য তিথি উপলক্ষে বিশেষ বঁটা প্ৰদান অনুষ্ঠান আলোকৰে যাত্ৰা ২০ জানুৱাৰীত কানৈ মহাবিদ্যালয়ৰ লালচান্দ কানৈ প্ৰেক্ষাগৃহত অনুষ্ঠিত হয়। মহাবিদ্যালয়ৰ মুখ্যদ্বাৰ পৰা গায়ন-বায়ন, বিহু দল, ঝুমুৰ, এন চি চিৰে বঁটা প্ৰাপক বিশিষ্ট শিল্পীসকলক সভাগৃহলৈ আদৰণি জনাই অনাৰ পিছতে বৰ বিহুৱা জিতেন দাসৰ পৰিচালনাৰে কণ কণ শিল্পীসকলৰ দ্বাৰা এটি বিহু পৰিৱেশন কৰা হয়। বন্তি প্ৰজ্বলন আৰু মঙ্গলাচৰণেৰে আৰম্ভ হোৱা অনুষ্ঠানৰ উদ্দেশ্য ব্যাখ্যা কৰে শ্ৰুতি শিল্পী সমাজৰ সম্পাদক চন্দন পাঠকে। ডিব্ৰুগড়ৰ সুৰীয়া শিল্পী সমাজৰ শিল্পীসকলে ৰূপকোঁৱৰ জ্যোতি প্ৰসাদ আগৰৱালাৰ এটি সুমধুৰ গীত পৰিৱেশন কৰা অনুষ্ঠানত আদৰণী ভাষণ দিয়ে ডিব্ৰুগড় সাহিত্য সভাৰ সভাপতি তথা ডি এইচ এছ কানৈ মহাবিদ্যালয়ৰ অধ্যক্ষ ডঃ শশীকান্ত শইকীয়াই। ডিব্ৰুগড় অনাতাঁৰ কেন্দ্ৰৰ জ্যেষ্ঠ ঘোষক হাছান ইকবাল আহমদে আঁত ধৰা অনুষ্ঠানত মুখ্য অতিথি হিচাপে থাকে ডিব্ৰুগড় অনাতাঁৰ কেন্দ্ৰ আৰু ডিব্ৰুগড় দূৰদৰ্শন কেন্দ্ৰৰ অনুষ্ঠান মুৰব্বী লোহিত চন্দ্ৰ ডেকা। অনুষ্ঠানত সংগীত ৰত্ন বঁটা প্ৰদান কৰা হয় ক্ৰমে বিশিষ্ট গীতিকাৰ, সুৰকাৰ, সঙ্গীত পৰিচালক প্ৰশান্ত বৰদলৈ, বিশিষ্ট গীতিকাৰ, সুৰকাৰ, সঙ্গীত পৰিচালক হীৰেণ গোহাঁই, বিশিষ্ট কণ্ঠশিল্পী, সুৰকাৰ তথা সংগীত পৰিচালক ৰাজেন গোহাঁই আৰু বিশিষ্ট গীতিকাৰ, সুৰকাৰ, কণ্ঠশিল্পী, নাট্যকাৰ, প্ৰযোজক, অভিনেতা, উপস্থাপক আৰু সংগীত পৰিচালক ছৈয়দ ছাদুল্লাক। অনুষ্ঠানত উজনি অসমৰ প্ৰায় ৪০ গৰাকী জ্যেষ্ঠ সংগীত শিল্পীক সংগীতজ্যোতি বঁটা প্ৰদান কৰা হয়। সংগীতজ্যোতি বঁটা প্ৰাপক শিল্পীসকল ক্ৰমে ৰাম চাওদি, বিজন হাজৰিকা, ব্ৰজেন পাঠক, ৰামকৃষ্ণ মুখাৰ্জী, সুৰেশ হাতীমূৰীয়া, ডঃ পবিত্ৰ কুমাৰ পেগু, মমতা বৰঠাকুৰ, সান্ত্বনা বৰুৱা, পাপৰি দাস, বন্ধু ভট্টাচাৰ্য, কল্পনা সেনগুপ্তা, ৰুণজুন ফুকন, ৰীণা দাস, চৈয়দা জুবি ৰহমান, ৰাণা বৰঠাকুৰ, ৰতন চৌধুৰী, চৈয়দ আচাদুল্লা, মিৰ্জা নিয়ামুদ্দিন, পদ্ম দাস, জয়ন্ত জিৎ দাস, কল্পনা ভাগৱতী, পৰী বৰদলৈ, মুক্তি সিং লোহাৰ, সুলেখা ডেকা, দিলীপ তামুলী, দীপক গগৈ, উমেশ গগৈ, অৱন্তী পামেগাম চেতিয়া, ৰুমী গোস্বামী, লুইত দাস, বিজন দত্ত, মীনা বেগম, বনজিৎ ভট্ট, শুভ্ৰা বৰুৱা, মিনু বৰুৱা, অনুপ শৰ্মা, নীনা গোহাঁই, শিৱানী বৰুৱা, জাহ্নবী শৰ্মা, কুকিলা গোস্বামী, ৰেহেনা আখতাৰ হান্নান। ডিব্ৰুগড় দূৰদৰ্শন কেন্দ্ৰৰ অনুষ্ঠান কাৰ্যবাহী মৃদুল শৰ্মাই সংগীত ৰত্ন বঁটা প্ৰাপক বিশিষ্ট শিল্পীসকলৰ জীৱনৰ চমু আলোকপাত কৰা অনুষ্ঠানত শিল্পীসকলক বঁটা প্ৰদান কৰে ক্ৰমে এন ডি ২৪-ৰ মুখ্য পৰিচালন সঞ্চালক কিশোৰ বৰা, শ্ৰুতি শিল্পী সমাজৰ সভাপতি ডাঃ নৱজ্যোতি গগৈ, ডি এইচ এছ কানৈ মহাবিদ্যালয়ৰ অধ্যক্ষ ডঃ শশীকান্ত শইকীয়াই। অনুষ্ঠানৰ লগত সংগতি ৰাখি সাংস্কৃতিক অনুষ্ঠান অনুষ্ঠিত হয়।

